# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১০৯/২০২০

## ২০২০-২১ বৰ্ষৰ বাজেটে ৰাজ্যখনৰ ৩৩ খন জিলাৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰকৃতাৰ্থত প্ৰতিফলিত কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম বিধান সভাত বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্থাপন কৰা ২০২০-২১ বৰ্ষৰ বাজেটখনক ৰাইজৰ আশা-আকাংক্ষাক প্ৰকৃতাৰ্থতে প্ৰতিফলিত কৰা এখন জনমুখী বাজেট বুলি অভিহিত কৰে। বাজেটখনক আদৰণি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই বাজেটে ৰাজ্যখনৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা ৩৩ খন জিলাৰ সকলো শ্ৰেণীৰ জনসাধাৰণকে উপকৃত কৰিব। এই বাজেটৰ জৰিয়তে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সম-মৰ্যাদা, সম-বিকাশ আৰু সম-উন্নয়নৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি সেই অনুসাৰে ব্যৱস্থা লোৱা হৈছে। বাজেটখনৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াল উপকৃত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই বাজেটত ৰাজ্যখনৰ সৰ্বস্তৰৰ ৰাইজৰ সামাজিক উত্তৰণ, আৰ্থিক উন্নয়ন, সামাজিক নিৰাপত্তা, মৰ্যাদা বৃদ্ধিৰ পদক্ষেপো সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীক শক্তিশালীভাৱে গঢ় দিয়াৰ প্ৰয়াসেৰে দাখিল কৰা এখন সুন্দৰ বাজেট উপস্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

সুঃদঃ/ বীঃগঃ
৬-০৩-২০২০